জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩০/২০২১

# বেংগালুৰুত নিৰ্মাণ হ'বলগীয়া অসম ভৱনৰ স্থান পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বেংগালুৰুত নিৰ্মাণ হ'বলগীয়া অসম ভৱনৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিষয়াবৰ্গৰ সৈতে এই প্ৰকল্পৰ বিস্তৃত আলোচনা কৰাৰ উপৰি বেংগালুৰু উন্নয়ন কৰ্তৃপক্ষৰ সৈতে এই সম্পৰ্কীয় যাৱতীয় অনুমতিৰ বাবে যোগাযোগ চলাবলৈ নিৰ্দেশ দিয়ে যাতে ইয়াৰ নিৰ্মাণ কাৰ্য সোনকালে আৰম্ভ কৰিব পৰা যায়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নন, লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তী উপস্থিত থাকে।

উল্লেখ্য যে ৰাজ্য চৰকাৰে ইতিমধ্যে নতুন দিল্লীৰ দ্বাৰকা, কলকতাৰ ৰাছেল ষ্ট্ৰীট আৰু চণ্ডিগড়, পুডুচেৰী তথা হায়দৰাবাদকে ধৰি দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ মহানগৰীত অসম ভৱন নিৰ্মাণৰ পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে নতুন দিল্লীৰ দ্বাৰকাত নিৰ্মাণ হ'বলগীয়া অসম ভৱনত ৰোগী আৰু ছাত্ৰ-ছাত্ৰীসকলে যাতে বিশেষভাৱে সুবিধা লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে।

**বীঃগঃ / বঃভাঃ**
**৩০-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in